# STUDY MATERIALS

Sub - Political Science (Major) & (Gen)
Semester — Sixth

(I) Write the basic features of the new const. of China.
(চীনের নতুন সংবিধানের বৈশিষ্ট্য সংক্ষেপে লেখো)

(II) Write briefly the basic features of the Constitution of Switzerland.
(সুইজারল্যান্ডের সংবিধানের বৈশিষ্ট্য সংক্ষেপে লেখো)

Paban Kr. Bishaya.
Asstt. Prof.
Deptt. of Pol. Science.

**Q. NO. 1** চীনৰ নতুন সংবিধানৰ বৈশিষ্ট্য লিখা?

**উত্তৰ** চীনৰ নতুন সংবিধানৰ বৈশিষ্ট্য সমূহ তলত আলোচনা কৰা হ'ল —

① **সমাজতান্ত্ৰিক ৰাষ্ট্ৰ:** নতুন সংবিধান অনুসৰি চীন প্ৰজাতন্ত্ৰক এখন সমাজবাদী ৰাষ্ট্ৰ হিচাপে উল্লেখ কৰা হৈছে আৰু এখন সমাজবাদী ৰাষ্ট্ৰৰ শাসন গণতান্ত্ৰিক একনায়কত্ববাদৰ দ্বাৰা পৰিচালিত হ'ব।

② **সাংবিধানিক মুৰব্বী:** চীনৰ ৰাষ্ট্ৰপতি জন ৰাষ্ট্ৰৰ সাংবিধানিক মুৰব্বী। তেওঁক ৰাষ্ট্ৰীয় জনকংগ্ৰেছে নিৰ্বাচিত আৰু পদৰ পৰা তেওঁক অপসাৰিত কৰিব পাৰে।

③ **সংসদীয় চৰকাৰ:** চীনত সংসদীয় ব্যৱস্থা বৰ্তমান প্ৰচলিত। চীনৰ মন্ত্ৰী পৰিষদক ৰাষ্ট্ৰীয় পৰিষদ বুলি জনা যায়। এই ৰাষ্ট্ৰীয় পৰিষদ তেওঁলোকৰ কাৰ্যৰ বাবে সংসদ অৰ্থাৎ জাতীয় জনকংগ্ৰেছ আৰু ইয়াৰ অধিবেশন নবহা অৱস্থাত স্থায়ী সমিতিৰ ওচৰত দায়বদ্ধ থাকে।

④ **লিখিত আৰু অনমনীয় সংবিধান:** এই সংবিধান এখন লিখিত আৰু অনমনীয় সংবিধান। এই সংবিধান সংশোধনৰ বাবে জটিল পদ্ধতি অনুসৰণ কৰিব লগা হয়।

⑤ **এক কেন্দ্ৰীয় চৰকাৰ:** চীন এখন এককেন্দ্ৰীয় ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰৰ আটাইবোৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে।

CamScanner
Scanned with CamScanner

- প্ৰশাসনৰ সুবিধাৰ বাবে সমগ্ৰ চীন ৰাজ্য (গণ) ক কেইবাটাও ভৌগোলিক অঞ্চলত ভাগ কৰা হলেও এই অঞ্চলবোৰ অঙ্গ ৰাজ্যৰ মৰ্যদা ভোগ নকৰে।

⑥ **মৌলিক অধিকাৰ আৰু কৰ্তব্য:** সংবিধানে চীনৰ নাগৰিক সকলৰ বাবে অধিকাৰ আৰু কৰ্তব্যৰ এক দীৰ্ঘ তালিকা প্ৰস্তুত কৰিছে। অধিকাৰ সমূহ হৈছে- কাম কৰা, শিক্ষা গ্ৰহণ কৰা, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আদি। কৰ্তব্য সমূহ হৈছে- সংবিধান মানি চলা, দেশ ৰক্ষা কৰা আদি।

একসদনযুক্ত সংসদ: চীন প্ৰজাতন্ত্ৰৰ আইন সভাখন দ্বিসদন যুক্ত নহয়, ই এক সদনযুক্ত সংসদ। এই কেন্দ্ৰীয় আইন সভাক জনগণৰ কংগ্ৰেছ বুলি জনা যায়।

কেন্দ্ৰীয় সামৰিক আয়োগ: কেন্দ্ৰীয় সামৰিক আয়োগৰ গঠন নতুন সংবিধানৰ এক নতুন সংযোজন। এনে আয়োগত এজন চেয়াৰমেন, এজন- ভাইচ- চেয়াৰমেন আৰু কেইজনমান সদস্য থাকে।

পৰিকল্পিত অৰ্থনীতি: পৰিকল্পিত নতুন সংবিধানৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। দেশৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে পৰিকল্পিত অৰ্থনৈতিক আঁচনিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

<u>সাম্যৰ নীতি</u>: নতুন সংবিধানে দেশত বসবাস কৰা সকলো শ্ৰেণীৰ লোকক যে—

Scanned with CamScanner
Scanned with CamScanner

সমান অধিকাৰ প্ৰদানৰ উপৰিও গুৰুত্ব আৰোপ কৰিছে। সংখ্যা লঘু শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ বাবে ভালেমান ব্যৱস্থা হাতত লোৱা হৈছে। ~~উচ্চতম~~

<u>উচ্চতম ন্যায়ালয়</u>ঃ নতুন সংবিধানে প্ৰধান উচ্চতম ন্যায়ালয়ৰ উপস্থিতিৰ বিষয়ে উল্লেখ কৰিছে। এই ন্যায়ালয়ৰ সদস্য সকলক ৰাষ্ট্ৰীয় জন-কংগ্ৰেছৰ সদস্য সকলে নিৰ্বাচিত কৰে আৰু বিচাৰক সকলে তেওঁলোকৰ কাৰ্য্যবিলাকৰ বাবে জন কংগ্ৰেছৰ ওচৰত দায়বদ্ধ থাকে।

স্থায়ী সমিতিঃ তদানীন্তন ছোভিয়েট ৰাছিয়াৰ প্ৰেচিডিয়ামৰ দৰে বৰ্তমান চীনৰ জনকংগ্ৰেছৰ ক্ষুদ্ৰ সংস্কৰণ বুলি আখ্যা দিব পৰা যায়।

<u>প্ৰস্তাৱনা</u>ঃ ভাৰতবৰ্ষৰ সংবিধানৰ দৰে বৰ্তমান চীনৰ সংবিধানৰ এটা ভূমিকা আৰু প্ৰস্তাৱনা আছে। এই প্ৰস্তাৱনাত সংবিধানৰ আদৰ্শ উদ্দেশ্য আৰু চীন দেশৰ অতীত ঐতিহ্যৰ বিষয়ে উল্লেখ কৰা হৈছে।

<u>একদলীয় ব্যৱস্থা</u>ঃ অন্যান্য গণতান্ত্ৰিক দেশৰ বিপৰীতে চীন দেশত এক দলীয় ব্যৱস্থা বৰ্তমান। চীন দেশৰ একমাত্ৰ ৰাজনৈতিক দল হৈছে 'সাম্যবাদী দল'।

শেষত চীনৰ সংবিধানৰ এক বিশেষ ভূমিকা আছে।

Scanned with CamScanner
Scanned with CamScanner

Q. No. 2 চুইজাৰলেণ্ডৰ সংবিধানৰ বৈশিষ্ট্যবোৰ লিখা ?

উত্তৰ চুইজাৰলেণ্ডৰ সংবিধানৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল-

(i) লিখিত সংবিধান: ভাৰতবৰ্ষ, আমেৰিকা যুক্তৰাষ্ট্ৰ, সোভিয়েট ৰাছিয়া আদি দেশৰ সংবিধানৰ নিচিনা চুইজাৰলেণ্ডৰ সংবিধান খনো এখন লিখিত সংবিধান। ১৮৪৮ চনৰ আগলৈকে চুইজাৰলেণ্ড এখন মিত্ৰ সংঘ আছিল। কেন্দ্ৰীয় কৰ্তৃপক্ষক অধিক ক্ষমতা দি কেণ্টন সমূহৰ মাজত একতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ১৮৪৮ চনত প্ৰথম সংবিধান ৰচনা কৰা হয়। এইখন সংবিধানৰ উপৰত জনমত লোৱা হয়। আৰু জনসাধাৰণৰ বিপুল ভোটাধিক্যত এই সংবিধানৰ প্ৰতি সমৰ্থন কৰাৰ অৱশেষত ১৮৭৪ চনত এইখন সংবিধানৰ সম্পূৰ্ণ সংশোধন কৰা হয়। এই সংশোধিত সংবিধানে জনসাধাৰণৰ সমৰ্থন লাভ কৰে। ১৮৭৪ চনত গ্ৰহণ কৰা এই সংবিধান খন আজি পৰ্যন্ত চলি আছে। অৱশ্যে পৰিৱৰ্তন অৱস্থাৰ লগত খাপ-খোৱা কথাক ইয়াৰ দফাবোৰ হিচাপে বিবেচনা কৰি সংশোধন কৰা হৈছে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে চুইজাৰলেণ্ডৰ সংবিধান খন লিখিত সংবিধান-।

(ii) অনমনীয় বা কঠিন সংবিধান: চুইজাৰলেণ্ডৰ সংবিধান খন সংশোধন কৰা সহজ নহয়। সেয়েহে এইখন সংবিধানক কঠিন বা অনমনীয় সংবিধান বোলা হয়। সংবিধানখন সংশোধন কৰিব লগা হলে দুটা জটিল পদ্ধতি-

Scanned with CamScanner
Scanned with CamScanner

প্ৰতি প্ৰশ্ন কৰিব পাৰে, প্ৰস্তাৱ উত্থাপন আৰু অনুমোদন। সংবিধান সংশোধনৰ ক্ষেত্ৰত জনগণৰ উপস্থিতি আৰু অংশগ্ৰহণ বাধ্যতামূলক।

(iii) <u>যৌথ কাৰ্যপালিকা</u>: ছুইজাৰলেণ্ডৰ সংবিধানৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে মিশ্ৰ কাৰ্যপালিকাৰ উপস্থিতি। এই ক্ষেত্ৰত এনে কোনো পদবী নাই যাক ৰাষ্ট্ৰ প্ৰধান বা চৰকাৰৰ প্ৰধান আখ্যা দিয়া হয়। দেশৰ কাৰ্যপালিকাৰ দায়িত্ব সাতজন সদস্যৰ গঠিত যুক্তৰাষ্ট্ৰীয় পৰিষদক প্ৰদান কৰা হৈছে। এই সাতজন সদস্য সমান ক্ষমতা ভোগী।

(iv) <u>বিধান মণ্ডল</u>: যুক্তৰাষ্ট্ৰীয় সভাখন দুটা সদনৰ গঠিত ৰাজ্যিক পৰিষদ আৰু জাতীয় পৰিষদ, ৰাজ্যিক পৰিষদে ৰাজ্য সমূহৰ প্ৰতিনিধিত্ব কৰে আৰু নিম্ন সদনে জনগণৰ সাধাৰণ স্বাৰ্থত প্ৰতিনিধিত্ব কৰে।

(v) <u>ন্যায়ালয়</u>: যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় ছুইজাৰলেণ্ডৰ উচ্চতম ন্যায়ালয়ৰ ইয়াৰ কাৰ্যাৱলীৰ লগত আমেৰিকা বা ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ সাদৃশ্য আছে। ইয়াৰ সদস্য সকলক যুক্তৰাষ্ট্ৰীয় সভাই নিজৰ যুটীয়া অধিবেশনত ছয় বছৰৰ বাবে নিৰ্বাচিত কৰে। এই ন্যায়ালয়ে নিজৰ বছৰেকীয়া কামৰ প্ৰতিবেদন যুক্তৰাষ্ট্ৰীয় সভাত দাখিল কৰে।

(vi) <u>প্ৰত্যক্ষ গণতান্ত্ৰিক</u>: ছুইজাৰলেণ্ডক প্ৰত্যক্ষ গণতন্ত্ৰৰ শিশু বুলি কোৱা হয়। —

Scanned with CamScanner

Scanned with CamScanner

ছুইজাৰলেণ্ড পৃথিৱীৰ একমাত্ৰ দেশ যি দেশৰ কেইখনমান অৰ্দ্ধৰাজ্যত অতিয়াও প্ৰত্যক্ষ গনতন্ত্ৰ কাৰ্যকৰী হৈছে। ইয়াৰ উপৰিও ছুইজাৰলেণ্ডৰ নাগৰিক সকলে প্ৰত্যক্ষ গনতন্ত্ৰৰ বিভিন্ন অভিব্যক্তি যেনে- গনউদ্যোগ, গনভোট আদিৰ সুবিধাও ভোগ কৰি আছে।

(vii) <u>মৌলিক অধিকাৰৰ অনুপস্থিতি</u>: অন্যান্য গনতান্ত্ৰিক সংবিধানৰ দৰে ছুইজাৰলেণ্ডৰ সংবিধানত নাগৰিক সকলে সুকীয়া মৌলিক অধিকাৰৰ তালিকা নাপায়। জনগনৰ অধিকাৰৰ লগত জড়িত অনুচ্ছেদসমূহ সংবিধানৰ বিভিন্ন অধ্যায়ৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে।

* যুক্ত কেন্দ্ৰীয় চৰকাৰৰ গাথনি।
* বিধায়িনী
* কাৰ্যপালিকা
* বিচাৰ ব্যৱস্থা

উপৰৰ আলোচনাৰ পৰা আমি কব পাৰো যে ছুইজাৰলেণ্ডৰ সংবিধান খন পৃথিৱীৰ ভিতৰতে এক অনন্য সংবিধান।

Scanned with CamScanner
Scanned with CamScanner